**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 07-03-2026** **Time : 1715 Hrs**

***Assamese Evening Bulletin***

---------------------------

## *Headlines*

১। বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত ৰাজনৈতিক দলৰ নিৰ্বাচনী তৎপৰতা অব্যাহত। আজি কংগ্ৰেছৰ দ্বিতীয়খন প্ৰাৰ্থীৰ তালিকা প্ৰকাশৰ সম্ভাৱনা।

২। অসম চৰকাৰৰ প্ৰতিটো বিভাগৰ মহিলা কৰ্মচাৰীৰ নিৰ্যাতনৰ পৰা সুৰক্ষাৰ বাবে SHe box মুকলি।

৩। ৰাজসাহায্যবিহীন ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ দাম ৬০ টকাকৈ বৃদ্ধি।

*আৰু*

৪। আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ ভাৰত, নিউজিলেণ্ডৰ মুখামুখি।

০০০০০০০

বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যত ৰাজনৈতিক দলসমূহে নিৰ্বাচনী তৎপৰতা অব্যাহত ৰাখিছে। বিজেপিয়ে জন আশীৰ্বাদ যাত্ৰাৰ জৰিয়তে জনতাৰ কাষ চপাৰ চেষ্টা কৰাৰ সমান্তৰালকৈ বিৰোধী দল কংগ্ৰেছে সময় পৰিৱৰ্তন যাত্ৰাৰ জৰিয়তে ভোটাদাতাক আকৰ্ষণৰ বাবে চেষ্টা চলাইছে। সৰুপথাৰ, গোলাঘাট, খুমটাই আৰু দেৰগাঁও সমষ্টিক সামৰি আজি বিজেপিয়ে জন আশীৰ্বাদ যাত্ৰা উলিয়ায়। এই যাত্ৰাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক বিশ্বজিৎ ফুকন আদিয়ে অংশগ্ৰহণ কৰে।

ইপিনে, ওদালগুৰিত আজি বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে দিছপুৰ চলো যাত্ৰাত অংশগ্ৰহণ কৰে। উন্নয়ন, ন্যায়, স্বায়ত্ত শাসনৰ দাবীৰে উলিওৱা এই সমদলত কেইবা হাজাৰ লোকে অংশগ্ৰহণ কৰে।

উল্লেখযোগ্য যে কংগ্ৰেছৰ দ্বিতীয়খন প্ৰাৰ্থী তালিকা চূড়ান্ত কৰাৰ বাবে আজি নতুন দিল্লীত কংগ্ৰেছ স্ক্ৰীণিং কমিটীৰ এখন বৈঠক অনুষ্ঠিত হ'ব। বৈঠকত কংগ্ৰেছ নেত্ৰী তথা স্ক্ৰীণিং কমিটীৰ অসমৰ অধ্যক্ষা প্ৰিয়ংকা গান্ধী উপস্থিত থকাৰ কথা।

০০০০০০০

আজি ৰাজ্যৰ কেইবাটাও প্ৰকল্পৰ ভূমি পূজন আৰু উদ্বোধন কৰা হ'ব। যোৰহাটৰ কলিয়াপানীত অনুষ্ঠিত বিশেষ অনুষ্ঠানত কেন্দ্ৰীয় মীন, পশুপালন আৰু দুগ্ধ উৎপাদন মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিং ওৰফে ললন সিং উপস্থিত থাকিব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে অসম চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা মন্ত্ৰী কৃষ্ণেন্দু পাল, সমবায় মন্ত্ৰী যোগেন মহন, শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, শক্তিমন্ত্ৰী প্ৰশান্ত ফুকন আৰু মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীও উপস্থিত থাকিব। এই অনুষ্ঠানতে যোৰহাটৰ কলিয়াপানী আৰু ডিব্ৰুগড়ৰ বকুলত দৈনিক ১ লাখ লিটাৰ ক্ষমতাযুক্ত দুগ্ধ সংসাধন প্ৰকল্প, ধেমাজিৰ ৰঙাজানত দৈনিক ৫০ হাজাৰ লিটাৰ ক্ষমতাযুক্ত দুগ্ধ সংসাধন প্ৰকল্প আৰু শিৱসাগৰ-শ্ৰীভূমিত দুখন মাল্‌টি কেয়াৰ পশু চিকিৎসালয়ৰ ভূমি পূজন কৰা হ'ব। আজি গোলাঘাট, লখিমপুৰ, তিনিচুকীয়া আৰু কামৰূপত ৪ খন মাল্‌টি কেয়াৰ পশু চিকিৎসালয় উদ্বোধন কৰা হ'ব।

০০০০০০০

অসম চৰকাৰৰ প্ৰতিটো বিভাগত এতিয়াৰে পৰা মহিলা কৰ্মচাৰী সকলৰ সুৰক্ষাৰ বাবে She box উপলব্ধ হ'ব। ইয়াৰ জৰিয়তে মহিলা কৰ্মচাৰী সকলে কাৰ্য্যালয়ত সন্মুখীন হোৱা নিৰ্যাতনৰ ঘটনাৰ অভিযোগ ততালিকে দিব পাৰিব। নিজৰ পৰিচয় ৰাজহুৱা নকৰাকৈ ভুক্তভোগীয়ে এই অভিযোগ দিব পাৰিব। প্ৰতিটো বিভাগত এই বক্স থকাটো বাধ্যতামূলক কৰা হৈছে। অসম অসামৰিক সেৱাৰ বিষয়া হেমাশ্ৰী হাজৰিকাক এই পদক্ষেপৰ দায়িত্ব অৰ্পন কৰা হৈছে। She box ত মহিলা সকলে কৰ্মক্ষেত্ৰত যৌন নিৰ্যাতনৰ বিৰুদ্ধে বিভাগক অৱগত কৰিব পাৰিব। অসমীয়া, বঙালী আৰু বড়ো ভাষাত কৰ্মচাৰীসকলে অভিযোগ দাখিল কৰিব পাৰিব।

০০০০০০০

নগাওঁ জিলাৰ কলিয়াবৰত স্থানীয় বিধায়ক তথা ৰাজহ মন্ত্ৰী কেশৱ মহন্তই আজি অত্যাধুনিক ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয় গৃহ নিৰ্মাণৰ শুভাৰম্ভ কৰে। কলিয়াবৰৰ কুঁৱৰীটোলত ১৯৫৭ চনত নিৰ্মাণ হোৱা উপপ্ৰতিসমাহৰ্তাৰ কাৰ্য্যালয়টো পাছলৈ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয় হিচাপে পৰিগণিত হয়। এই পুৰণি কাৰ্য্যালয় ভৱনটো ৰাজ্যৰ ভিতৰতে চক্ৰ বিষয়াৰ কাৰ্য্যালয়ৰ আৰ্হি হিচাপে অত্যাধুনিক ৰূপত গঢ়ি তোলা হৈছে। মন্ত্ৰীগৰাকীয়ে আজি কলিয়াবৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱনিৰ্মিত গৃহ, লাওখোৱা বিদ্যালয় গৃহৰ লগতে কলিয়াবৰ সমজিলা পুঁথিভৰালৰ নতুন গৃহ উন্মোচন কৰে। মন্ত্ৰী গৰাকীয়ে সাংবাদিকৰ আগত এইদৰে কয়- (বাইট)

০০০০০০০

আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উপলক্ষে ক্ৰীড়াক্ষেত্ৰত মহিলাৰ অংশগ্ৰহণক উদযাপনৰ লক্ষ্যৰে কাইলৈ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ অধীনত দেশৰ ২৫০ টা স্থানত অস্মিতা লীগৰ আয়োজন কৰা হৈছে। ক্ৰীড়া দপ্তৰৰ ৰাজ্য মন্ত্ৰী ৰক্ষা নিখিল খাড়ছেই এই কথা ঘোষণা কৰিছে। ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ আৰু মাই ভাৰতৰ যুটীয়া উদ্যোগত কাইলৈ ১৩ বছৰ অনুৰ্ধ, ১৩ৰ পৰা ১৮ বছৰৰ ভিতৰৰ আৰু ১৮ বছৰৰ ঊৰ্ধৰ শাখাত বিভিন্ন খেল অনুষ্ঠিত হ'ব। গ্ৰামাঞ্চল আৰু সৰু চহৰৰ ছোৱালীসকলক ক্ৰীড়াক কেৰিয়াৰ হিচাপে লোৱাৰ বাবে উৎসাহিত কৰাৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে।

অসমৰো বিভিন্ন স্থানত কাইলৈ আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ লগত সংগতি ৰাখি অস্মিতা শীৰ্ষক লীগ আৰু অন্যান্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। শিৱসাগৰ জিলা ক্ৰীড়া বিষয়া কাৰ্য্যালয় আৰু মাই ভাৰতৰ জিলা যুৱ বিষয়াৰ যৌথ উদ্যোগত এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। শিৱসাগৰৰ ঐতিহাসিক পিয়লি ফুকন ষ্টেডিয়ামত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০০০০০

তেল কোম্পানীসমূহে দেশজুৰি কাৰ্যকৰী হোৱাকৈ আজিৰেপৰা ৰাজসাহায্যবিহীন ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ দাম ৬০ টকাকৈ বৃদ্ধি কৰিছে। একেদৰে ৰন্ধন গেছৰ বাণিজ্যিক চিলিণ্ডাৰৰ দামো ১১৫ টকাকৈ বৃদ্ধি হৈছে। অসমতো আজিৰেপৰা এই নতুন নিৰিখ কাৰ্যকৰী হৈছে। মধ্যপ্ৰাচ্যৰ সংকটময় পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত চাহিদা অনুসৰি ৰন্ধন গেছৰ নাটনি হোৱাৰ সম্ভাৱনাই দেখা দিছে। এই সম্ভাৱনাৰ পাছতে আজি তেল কোম্পানীসমূহে ৰন্ধন গেছৰ চিলিণ্ডাৰৰ দাম বৃদ্ধি কৰাৰ সিদ্ধান্ত লয়। ৰন্ধন গেছৰ চিলিণ্ডাৰৰ দাম বৃদ্ধি সন্দৰ্ভত মন্ত্ৰী অশোক সিংঘালে আজি সংবাদ মাধ্যমৰ আগত এইদৰে কয়-

**বাইট**

০০০০০০০

কেন্দ্ৰীয় মীন, পশুপালন আৰু দুগ্ধ উৎপাদন দপ্তৰৰ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে আজি অসমত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে যোৰহাটৰ কলিয়াপানীত বিয়লি আয়োজিত অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ বিভিন্ন জিলাত নিৰ্মাণ হ'বলগীয়া কেইবাটাও প্ৰকল্পৰ শুভাৰম্ভ

কৰে। ইয়াৰ ভিতৰত যোৰহাট আৰু ডিব্ৰুগড়ত দুটা দৈনিক একলাখ লিটাৰ ক্ষমতাযুক্ত দুগ্ধ প্ৰসংস্কৰণ প্ৰকল্প, ধেমাজিৰ ৰঙাজানত দৈনিক ৫০ হাজাৰ লিটাৰ ক্ষমতাযুক্ত দুগ্ধ প্ৰসংস্কৰণ প্ৰকল্প আৰু শিৱসাগৰ আৰু শ্ৰীভূমিত দুখন মাল্টিকেয়াৰ পশু চিকিৎসালয় প্ৰকল্প আছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে গোলাঘাট, লখিমপুৰ, তিনিচুকীয়া আৰু কামৰূপ জিলাত নিৰ্মাণ কৰা চাৰিখন মাল্টিকেয়াৰ পশু চিকিৎসালয় উদ্বোধন কৰে। অনুষ্ঠানত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পাল, সমবায় আদি বিভাগৰ মন্ত্ৰী যোগেন মহন, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, শক্তি মন্ত্ৰী প্ৰশান্ত ফুকন আৰু মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী উপস্থিত থাকে।

০০০০০০০

আন্তৰ্জাতিক নাৰী দিৱসৰ সৈতে সংগতি ৰাখি আজি নিশা আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত **সংবাদ ক্ষেত্ৰত নাৰী, প্ৰত্যাহ্বান আৰু প্ৰত্যাশা** শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত সাংবাদিক সুস্মিতা গোস্বামী, অৰুণিমা কলিতা আৰু ভিডিঅ' সাংবাদিক মল্লিকা কলিতাই মনৰ ভাব প্ৰকাশ কৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০০

ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকাৰী তথা অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত আৰু নগাঁও জিলা আইন সেৱা প্ৰাধিকাৰীৰ ব্যৱস্থাপনাত অহা ২৪ মাৰ্চত নগাঁৱত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। নগাঁও ন্যায়িক আদালত ভৱন প্ৰাঙ্গনত হ'বলগীয়া এই লোক আদালতত ফৌজদাৰী, দেৱানী, পাৰিবাৰিক, ৰাজহ সংক্ৰান্তীয় গোচৰৰ লগতে পথ দুৰ্ঘটনা, বিভিন্ন বেংকৰ ঋণ আদি গোচৰসমূহ খৰতকীয়াকৈ নিষ্পত্তিৰ ব্যৱস্থা কৰা হ'ব। ইচ্ছুকসকলে এই সন্দৰ্ভত নগাঁও জিলা আইন সেৱা প্ৰাধিকাৰী কাৰ্যালয়ৰ চতুৰ্থ মহলাৰ ৬৩ নম্বৰ কক্ষৰ লগত যোগাযোগ কৰিব পাৰিব।

০০০০০০০

নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰে'ল ষ্টেচনত কালিৰ পৰা এখন ৰে'লগাড়ীৰ ষ্টপেজ আৰম্ভ হয়। স্থানীয় ৰাইজৰ দীৰ্ঘদিনীয়া দাবীৰ অন্তত উত্তৰ পূব সীমান্ত ৰে'লৱে ৰঙিয়া সংমণ্ডলে ঘগ্ৰাপাৰ ৰে'ল ষ্টেচনত উজনিমুৱা মৰিয়নি জংচনত ১৫৭৬৯ নম্বৰ আৰু নামনিমুৱা আলিপুৰ দুৱাৰ ১৫৭৭০ নম্বৰ ৰে'লখনৰ ষ্টপেজৰ ব্যৱস্থা কৰিছে।

০০০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কাইলৈ আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত ভাৰত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় দলটোৱে যোৱা বৃহস্পতিবাৰে ইংলেণ্ডৰ বিৰুদ্ধে ৰোমাঞ্চকৰ ছেমি ফাইনেলত ৭ ৰানত জয়লাভ কৰে। একেদৰে আন এখন ছেমি ফাইনেলত নিউজিলেণ্ডে ফিন এলেনৰ দ্ৰুততম শতকেৰে দক্ষিণ আফ্ৰিকাক ৯ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

০০০০০০

**সমাপ্ত**